জনসংযোগ, অসম　　　　　　　　　　　　　　　　　　　　　　　　　　　　প্ৰেছ বাৰ্ত্তা

# ৰজত কমল বঁটা বিজয়ী জুবিন গাৰ্গ, মৃদুল গুপ্তা আৰু মেৰাজুৰ ৰহমান বৰুৱালৈ মুখ্য মন্ত্ৰীৰ অভিনন্দন

দিছপুৰ, ৮ ছেপ্টেম্বৰ ঃ সদ্য ঘোষিত ৫৫ তম্ ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাৰ অ-কাহিনী শিতানত ইংৰাজী আৰু খাচী ভাষাত নিৰ্মিত 'ইক'জ অৱ ছাইলেঞ্চ'ৰ বাবে শ্ৰেষ্ঠ সংগীত পৰিচালকৰ বঁটা লাভ কৰা জুবিন গাৰ্গ, শ্ৰেষ্ঠ নৃতাত্ত্বিক ছবি শিতানত টাইফাকে জনগোষ্ঠীৰ আধাৰত নিৰ্মিত ছবি 'টাইফাকে' ৰ বাবে পৰিচালক মৃদুল গুপ্তা আৰু 'শ্বিফটিং প্ৰফেচি' নামৰ ছবিৰ বাবে মেৰাজুৰ ৰহমান বৰুৱাই ৰজত কমল বঁটা লাভ কৰি ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াই অনা বাবে জনপ্ৰিয় শিল্পী জুবিন আৰু পৰিচালকদ্বয় গুপ্তা আৰু ৰহমান বৰুৱালৈ মুখ্য মন্ত্ৰী তৰুণ গগৈয়ে আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছে।

মুখ্য মন্ত্ৰীয়ে কয় যে একান্ত নিষ্ঠা আৰু ঐকান্তিকতাৰে সংগীত তথা শিল্পৰ সাধনাত ব্ৰতী থাকি শিল্পী জুবিন গাৰ্গ আৰু পৰিচালকদ্বয় মৃদুল গুপ্তা আৰু মেৰাজুৰ ৰহমান বৰুৱাই ৰাজ্যখনৰ সাংস্কৃতিক ক্ষেত্ৰখনলৈ যি অৱদান আগবঢ়াই আহিছে সেয়া সদায়ে স্মৰণীয় হৈ থাকিব। শিল্পী জুবিন গাৰ্গ আৰু পৰিচালকদ্বয় গুপ্তা আৰু ৰহমান বৰুৱাৰ অনৱদ্য কৃতি তথা শিল্পকৰ্মক লৈ অসমবাসী গৌৰৱান্বিত। অসমৰ এই তিনিগৰাকী সু-সন্তানৰ সাফল্যই ৰাজ্যখনৰ শিল্প-সংস্কৃতিৰ জগতৰ সৈতে জড়িত সকলক নতুন উদ্যম আৰু উৎসাহেৰে সংস্কৃতিৰ সেৱাত ব্ৰতী হ'বলৈ প্ৰেৰণা যোগাব বুলি মুখ্য মন্ত্ৰীয়ে মন্তব্য কৰে।

ৰঃসা
০৮-০৯-০৯